3. ক) অসহযোগ আন্দোলন কেতিয়া সংঘটিত হৈছিল? এই আন্দোলনত মহাত্মা গান্ধীৰ ভূমিকা কি?

খ) স্বাধীন ভাৰতৰ ভাইচৰয় কোন আছিল? ভাৰত স্বাধীন আইনৰ মূল দফা কেইটা কি কি?

গ) অসহযোগ আন্দোলনৰ কেনেকৈ সামৰণি পৰিছিল?

ঘ) কি পৰিস্থিতিত ভাৰতত্যাগ আন্দোলনৰ সূচনা হৈছিল? ভাৰতৰ স্বাধীনতা সংগ্ৰামত এই আন্দোলনৰ গুৰুত্ব কি বুজাই লিখা।

ইতিহাস
(তৃতীয় অধ্যায়)
পাঠ- অসমত ব্ৰিটিছবিৰোধী জাগৰণ আৰু কৃষক বিদ্ৰোহ

1+3+3=7

মূল্যাংকঃ 1

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) অসমত চিপাহী বিদ্ৰোহৰ নেতৃত্ব দিছিল—
(i) কন্দৰ্পেশ্বৰ সিংহ (ii) মণিৰাম দেৱান
(iii) পিয়লি বৰুৱা (iv) বাহাদুৰ গাঁওবুঢ়া

(b) মণিৰাম দেৱানক ফাঁচী দিয়া হৈছিল —
(i) শিৱসাগৰ কাৰাগাৰত
(ii) যোৰহাট কাৰাগাৰত
(iii) আলিপুৰ কাৰাগাৰত
(iv) কলিকতা কাৰাগাৰত

(c) ব্ৰিটিছে টিকট কৰ প্ৰৱৰ্ত্তন কৰিছিল—
(i) ১৮৪৮ চনত (ii) ১৮৭৮ চনত
(iii) ১৮৫৮ চনত (iv) ১৮৬৭ চনত

(d) মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক ৰাজদ্ৰোহীকৈ ফাঁচী দিয়া হৈছিল—
(i) ১৮৫৮চনত ২৬ ফেব্ৰুৱাৰী
(ii) ১৮৫৭ চনত ২৫ ফেব্ৰুৱাৰী
(iii) ১৮৫৯ চনত ২৪ ফেব্ৰুৱাৰী
(iv) ১৮২৮ চনত ২৬ ফেব্ৰুৱাৰী

(e) অসমত ১৮৪৩ চনত ইংৰাজে বিলুপ্তি ঘটাইছিল—
(i) টিকট কৰ (ii) আয়কৰ
(iii) ৰাইজমেলৰ (iv) দাস প্ৰথা

(f) কলিকতাৰ মুখ্য ন্যায়ধীশ মফটমিলচ চাহাব অসমলৈ আহিছিল—
(i) ১৮৫৭চনত (ii) ১৮৪৩ চনত
(iii) ১৮৬১ চনত (iv) ১৮৫৩ চনত

(g) ব্ৰিটিছ চৰকাৰে আফুখেতি সম্পূৰ্ণৰূপে বন্ধ কৰিছিল—
(i) ১৮৬১চনত (ii) ১৮৫৯ চনত
(iii) ১৮৬০ চনত (iv) ১৮৬৪ চনত

h) কন্দৰ্পেশ্বৰ সিংহৰ পিতৃৰ নাম —
(i) গদাধৰ সিংহ (ii) পুৰন্দৰ সিংহ
(iii) কামেশ্বৰ সিংহ (iv) প্ৰতাপসিংহ

Created by Universal Document Converter

i) ব্রিটিছৰ বিৰুদ্ধে ভাৰতীয় সৈন্যই প্রথম বিদ্রোহ ঘোষণা কৰিছিল—

(i) কাণপুৰত (ii) মিৰাটত

(iii) ঝান্সীত (iv) দিল্লীত

j) ফুলগুৰি কৃষক বিদ্রোহ সংঘটিত হৈছিল—

(i) ১৮৬২ চন, যোৰহাট জিলাত

(ii) ১৮৬০ চন, শিৱসাগৰ জিলাত

(iii) ১৮৬৪ চন, গোলাঘাট জিলাত

(iv) ১৮৬১ চন, নগাও জিলাত

2. চমুপ্রশ্নাৱলী ঃ মূল্যাংক-3

(1) অসমৰ প্রথম কৃষক বিদ্রোহ কেতিয়া সংঘটিত হৈছিল? এই বিদ্রোহৰ দুটা কাৰণ লিখা।

(2) অসমত ইংৰাজে প্রৱর্ত্তন কৰা ৰাজহ ব্যৱস্থা সম্পর্কে চমুকৈ লিখা।

(3) ব্রিটিছৰ দিনত অসমৰ কৃষকৰ দুৰৱস্থাৰ তিনিটা কাৰণ লিখা।

(4) ১৮৫৭ চনৰ বিদ্রোহ মণিৰাম দেৱানৰ নেতৃত্বত কিদৰে বিফল হৈছিল লিখা।

(5) ৰাইজমেল বুলিলে কি বুজা? অসমত ঊনবিংশ শতিকাত ৰাইজমেল সমূহৰ ভূমিকা সম্পর্কে চমুকৈ লিখা।

(6) ফুলগুৰি ধাৰাৰ ওপৰত এটি টোকা লিখা।

(7) অসমত কৃষক বিদ্রোহৰ উত্থান সম্পর্কে বর্ণনা দিয়া।

(8) অসমত ১৮৫৭-৫৮ চনত বিদ্রোহ সংঘটিত হোৱাৰ কাৰকসমূহ বিশ্লেষণ কৰা।

(9) মণিৰাম দেৱানৰ ব্যক্তিত্ব আৰু কর্মৰাজিৰ এক বিৱৰণ দাঙি ধৰা।

(10) অসমত ১৮৫৭ চনৰ বিদ্রোহৰ গুৰুত্ব আছেনে? তোমাৰ মত ব্যক্ত কৰা।

সম্ভাব্য প্রশ্ন ঃ

ইতিহাস, চতুর্থ অধ্যায়—

(ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসমত জাতীয় জাগৰণ—)

1+2+5=7

A. অতি চমু প্রশ্নাৱলী—

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) জ্ঞান প্রদায়িনী সভা প্রতিষ্ঠা হৈছিল?

(i) ১৮৫৬ চনত (ii) ১৮৫৭চনত

(iii) ১৮৩৭ চনত (iv) ১৮৭৩ চনত

(b) অসমৰ বিদ্যালয়, কার্যালয় আৰু আদালতত বাংলা ভাষা প্রচলন কৰা চৰকাৰী সিদ্ধান্ত গ্রহণ কৰা হয়।

(i) ১৮৩৭চনত (ii) ১৮৩৫ চনত

(iii) ১৮৫৩ চনত (iv) ১৮৩৬ চনত

(c) জোনাকীৰ প্রথম সম্পাদক আছিল—

(i) গুণাভিৰাম বৰুৱা

(ii) চন্দ্র কুমাৰ আগৰৱালা

(iii) লক্ষ্মীনাথ বেজবৰুৱা

(iv) হেমচন্দ্র গোস্বামী

(d) আছাম এছ'চিয়েছনৰ প্রতিষ্ঠাপক সম্পাদক আছিল—

(i) জগন্নাথ বৰুৱা

(ii) মাণিক চন্দ্র বৰুৱা

(iii) প্রভাত চন্দ্র বৰুৱা

(iv) গুণাভিৰাম বৰুৱা

(e) অসম প্রদেশ কংগ্রেছ কমিটিৰ প্রথমজন সভাপতি আছিল—

(i) নবীন চন্দ্র বৰদলৈ

(ii) কুলধৰ চলিহা

(iii) বিষ্ণুৰাম মেধি

(iv) সিদ্ধিনাথ শর্মা

মূল্যাংক -2

2. অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ দুটা গঠনমূলক কাম লিখা।

3. জোনাকী যুগৰ দুজন প্রতিভাৱান সাহিত্যিকৰ নাম লিখা।

4. আছাম এছ'চিয়েছনৰ দুটা সংস্কাৰমূলক কাম লিখা।

5. অসম প্রদেশ কংগ্রেছ কমিটি গঠনত আগভাগ লোৱা দুজন নেতাৰ নাম লিখা।

6. কিমান চনত আৰু কোনটো সর্বভাৰতীয় আন্দোলনৰ সময়ত মহাত্মাগান্ধী অসমলৈ আহিছিল?

Created by Universal Document Converter

মূল্যাংক -5

7. স্বদেশী আন্দোলনৰ সময়ত অসমৰ ভূমিকা আলোচনা কৰা।
8. অসমত জাতীয় জাগৰণ অনাৰ ক্ষেত্ৰত অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ ভূমিকা আলোচনা কৰা।
9. কিমান চনত আছাম এছ'চিয়েছন গঠন হৈছিল? আছাম এছ'চিয়েছনৰ বিভিন্ন সংস্কাৰমূলক কাম সমূহ আলোচনা কৰা।
10. অসহযোগ আন্দোলনৰ সময়ত অসমৰ ভূমিকা কেনেকুৱা আছিল? মহাত্মা গান্ধীৰ আগমনে এই আন্দোলন অসমত কেনেদৰে জনপ্ৰিয় কৰি তুলিছিল বহলাই লিখা।

সম্ভাব্য প্ৰশ্ন ঃ

ইতিহাস, পঞ্চম অধ্যায়—
(ভাৰত আৰু উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক ঐতিহ্য—)

1+2+4=7

A. অতি চমু প্ৰশ্নাৱলী—

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) 'হেৰাকা' আন্দোলন গঢ়ি উঠিছিল—
(i) নাগালেণ্ডত (ii) মণিপুৰত
(iii) মিজোৰামত (iv) ত্ৰিপুৰাত

(b) পৰম্পৰাগত 'চপচৰ কূট' উদযাপন কৰা হয়—
(i) মেঘালয় ৰাজ্যত (ii) মণিপুৰ ৰাজ্যত
(iii) মিজোৰাম ৰাজ্যত (iv) ত্ৰিপুৰা ৰাজ্যত

(c) 'কথাগীতা' ৰ ৰচক আছিল—
(i) ৰাম-সৰস্বতী (ii) ভট্টদেৱ
(iii) হেম-সৰস্বতী (iv) মাধৱ কন্দলী

(d) বিহুৰ সমধৰ্মী বাঁসপূজা উদ্‌যাপন কৰা হয়—
(i) দৰং জিলাত
(ii) কামৰূপ জিলাত
(iii) গোৱালপাৰা জিলাত
(iv) শোণিতপুৰ জিলাত

(e) তলৰ কোনখন সচিত্ৰ পুথি—
(i) গীত গোবিন্দ (ii) কথা-গীতা
(iii) সপ্তকাণ্ড ৰামায়ন (iv) পাৰিজাত হৰণ

মূল্যাংক -2

2. সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলক লৈ গঠিত পৰিষদখনৰ নাম কি? এই পৰিষদখনে উত্তৰ পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যৰ উপৰিও কোনখন ৰাজ্যক অন্তৰ্ভুক্ত কৰিছে?
3. মেঘালয়ৰ লোকসকলক কি বুলি কোৱা হয়? তেওঁলোক কোন গোষ্ঠীৰ লোক?
4. 'চৰ্যাপদ' মানে কি?
5. মাধৱ কন্দলিয়ে কোনখন কাব্য অসমীয়ালৈ অনুবাদ কৰিছিল? তেওঁ কোনজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?
6. অসমৰ দুখন কাহিনীভিত্তিক গীতি কাব্যৰ নাম লিখা।

মূল্যাংক -4

7. উত্তৰ পূৰ্বাঞ্চলৰ চাৰিটা উমৈহতীয়া বৈশিষ্ট্য লিখা।
8. অসমৰ প্ৰাচীন সাহিত্যৰ ওপৰত এটি টোকা লিখা।
9. 'অসমৰ লোক সংস্কৃতিৰ ভঁৰালটি মেটমৰা সম্ভাৱেৰে ভৰপূৰ' ব্যাখ্যা কৰা।
10. অসমৰ স্থাপত্য-শিল্পকলাৰ ওপৰত এটি টোকা লিখা।
11. অসমৰ চিত্ৰকলাৰ প্ৰধান বৈশিষ্ট্যসমূহ লিখা।

Created by Universal Document Converter

সম্ভাব্য প্ৰশ্ন ঃ

Part- Geography
(প্ৰথম অধ্যায়—অৰ্থনৈতিক ভূগোলঃ বিষয়বস্তু আৰু সম্পদ)

1+2+4=7

1- Mark Questions

1.(a) তলৰ কোনটো অজীৱীয় সম্পদ?
(i) বায়ু (ii) গছ-গছনী
(iii) শস্য (iv) কয়লা

(b) IUCN সংস্থাটো কোন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ অন্তৰ্গত।
(i) UNESCO (ii) UNO
(iii) WWF (iv) UNEP

(c) তলৰ কোনটো বিলুপ্তপ্ৰায় প্ৰাণী?
(i) এশিঙিয়া গড় (ii) নল গাহৰী
(iii) জিৰাফ (iv) মিথুন

(d) তলৰ কোনটো ব্যক্তিগত সম্পদ নহয়—
(i) ভাল চৰিত্ৰ (ii) শিক্ষা
(iii) কৰ্মদক্ষতা (iv) চৰকাৰ

(e) তলৰ কোনটো জাতীয় সম্পদ ?
(i) বায়ুমণ্ডল (ii) শিক্ষা
(iii) শিক্ষানুষ্ঠান (iv) মানব

2. চমু উত্তৰ দিয়া— 2- Mark

(a) প্ৰতিৰোধক বুলিলে কি বুজা? উদাহৰণ দিয়া।
(b) সম্পদ সংৰক্ষণ বুলিলে কি বুজা?
(c) সম্পদ সংৰক্ষণৰ লগত জড়িত সংস্থা দুটাৰ নাম লিখা।
(d) মানৱ সম্পদ বুলিলে কি বুজা?
(e) অৰ্থনৈতিক বৃত্তি বা কাৰ্য কেই প্ৰকাৰৰ নাম লিখাঁ।

3. দীৰ্ঘউত্তৰীয় প্ৰশ্ন— 4- Mark

(a) সম্পদ আৰু মানুহৰ মাজত থকা সম্পৰ্কৰ বিষয়ে চমুকৈ লিখা।
(b) 'সম্পদ পৰিৱৰ্তনশীল'— ব্যাখ্যা কৰা।
(c) সম্পদ সংৰক্ষণৰ যিকোনো চাৰিটা পদ্ধতি সম্পৰ্কে লিখা।
(d) উদাহৰণসহ সম্পদৰ শ্ৰেণীবিভাজন সম্পৰ্কে লিখা।
(e) সম্পদ ভূগোলক কিয় অৰ্থনৈতিক ভূগোলৰ এটি গুৰুত্বপূৰ্ণ শাখা বোলা হয়?

Part- Geography
পৰিৱেশ আৰু পৰিৱেশৰ সমস্যা

1+2+3=6

1- Mark Questions

(1) ঔদ্যোগিক অঞ্চলবোৰত সাধাৰণতে এচিড বৰষুণ হোৱাৰ মূল কাৰণ—
(i) মাত্ৰাধিক কাৰ্বন ডাই অক্সাইডৰ সৃষ্টি।
(ii) মাত্ৰাধিক ছালফাৰ ডাই অক্সাইড আৰু নাইট্ৰজেন ডাই-অক্সাইডৰ সৃষ্টি
(iii) মাত্ৰাধিক বনানি ধ্বংস।
(iv) গোলকীয় উত্তাপ

(2) বায়ুমণ্ডলত কাৰ্বন ডাই-অক্সাইড গেছৰ পৰিমাণ বৃদ্ধি হোৱাৰ মূল কাৰণ—
(i) অক্সিজেন
(ii) নিৰ্বনীকৰণ
(iii) কাৰ্বন-মন' অক্সাইডৰ বৃদ্ধিত নিৰ্গমন
(iv) জীৱাশ্ম ইন্ধনৰ বৰ্ধিত ব্যৱহাৰ।

(3) ভূ- পৃষ্ঠত জলমণ্ডলৰ পৰিমাণ—
(i) 71% (ii) 17 %
(iii) 29 % (iv) 92%

(4) তলৰ কোনটো মানৱসৃষ্ট দুৰ্যোগ—
(i) ভূমিস্খলন
(ii) বানপানী
(iii) ঔদ্যোগিক দুৰ্ঘটনা
(iv) ভূমিকম্প

(5) বায়ুত আটাইতকৈ কি গেছ বেছি পৰিমাণে থাকে?
(i) নাইট্ৰজেন
(ii) অক্সিজেন
(iii) হাইড্ৰ'জেন
(iv) কাৰ্বন-ডাই-অক্সাইড

6. পৰিৱেশ বুলিলে কি বুজায়? পৰিৱেশৰ জৈৱ আৰু অজৈৱ উপাদানৰ উদাহৰণ দিয়া। 3

7. পৰিৱেশৰ স্থানীয় সমস্যা সমূহৰ অধ্যয়নে গোলকীয় সমস্যা সমূহৰ সমাধানত কিদৰে সহায়ক হয় লিখা। 3

8. পাৰিৱেশিক সমস্যাই কোনো অঞ্চলৰ ভাৰসাম্যতাৰ হ্ৰাস বৃদ্ধিৰ ক্ষেত্ৰত কেনেদৰে প্ৰভাৱ পেলায় লিখা। 3

Created by Universal Document Converter

9. বায়ু প্রদূষণৰ প্রধান মানৱসৃষ্ট কাৰণ সমূহ উল্লেখ কৰা। 3
10. মাটি প্রদূষণ কি আৰু ই কেনেকৈ হয় লিখা। 1+2=3
11. এছিড বৰষুণ কি? কোনবোৰ অঞ্চলত এছিড বৰষুণ হয়? 2
12. পানী প্রদূষণৰ দুটা কাৰণ লিখা। 2
13. কোনবোৰ সমস্যাক গোলকীয় পাৰিৱেশিক সমস্যা বুলি কোৱা হয় লিখা। 2
14. জীৱমণ্ডলৰ বিস্তৃতি সম্বন্ধে লিখা। 2
15. মৰুকৰণ সমস্যাৰ সমাধান সম্ভৱনে? 2

সম্ভাব্য প্রশ্ন ঃ

তৃতীয় অধ্যায়—
পৃথিৱীৰ ভূগোল

1+2+5=8

1- Mark Questions

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) পৃথিৱীৰ দ্বিতীয় বৃহত্তম মহাসাগৰ কোনখন?

(i) প্রশান্ত মহাসাগৰ (ii) ভাৰত মহাসাগৰ
(iii) আটলান্টিক মহাসাগৰ(iv) দক্ষিণ মহাসাগৰ

(b) উত্তৰ মহাসাগৰলৈ বৈ যোৱা এছিয়াৰ প্রধান নদী বিলাকৰ এখন হৈছে—

(i) হোৱাং হো (ii) উৰাল
(iii) ইনিছি (iv) মেকং

(c) ভাৰত মহাসাগৰৰ মাটিকালি হৈছে—

(i) 82.4 নিযুত বর্গ কি.মি (ii) 14.1 নিযুত বর্গ কি.মি
(iii) 73.4 নিযুত বর্গ কি.মি (iv) 165.2 নিযুত বর্গ কি.মি

(d) সামুদ্রিক খাত সমূহৰ ভিতৰত গভীৰতম খাত হ'ল—

(i) চিচিলিজ খাত (ii) টোংঙ্গা খাত
(iii) মেৰিয়ানা খাত (iv) কিউৰাইল খাত

(e) ২০১৫ বর্ষৰ আনুমানিক তথ্য অনুসৰি পৃথিৱীৰ মুঠ জনসংখ্যা হ'ল—

(i) 730 কোটি (ii) 750 কোটি
(iii) 710 কোটি (iv) 650 কোটি

2. চমু উত্তৰ দিয়া— 2- Mark

(a) পৃথিৱীৰ সকলো ঠাইতে মানুহৰ জীৱনধাৰণৰ প্রণালী একে নহয় কিয়?

(b) ভাৰত মহাসাগৰৰ চাৰিসীমা লিখা।

(c) আটলান্টিক মহাসাগৰলৈ বৈ যোৱা দুখন সাগৰৰ নাম লিখা।

(d) পান্থালাছা কাক বোলে?

(e) গণ্ডোৱালেণ্ড বিভাজিত হৈ সৃষ্টি হোৱা ঠাই সমূহৰ নাম লিখা।

3. দীর্ঘউত্তৰীয় প্রশ্ন ঃ— 5- Mark

(a) মহাদেশীয় বিস্থাপন সূত্র আনুসৰি পৃথিৱীৰ অৱস্থা আদিতে কেনে আছিল?

(b) মহাসাগৰৰ তলিভাগৰ ভূ-অৱয়ব সর্ম্পকে চমুকৈ লিখা।

(c) মহাসাগৰ সমূহৰ বিস্তৃতি আৰু অৱস্থিতি সর্ম্পকে চমুকৈ লিখা।

(d) চিত্রসহ মহীসোপান আৰু মহীঢালৰ বিষয়ে বুজাই লিখা।

(e) পৃথিৱীৰ স্থলমণ্ডল আৰু জলমণ্ডলৰ বিষয়ে লিখা।

Created by Universal Document Converter

সম্ভাব্য প্ৰশ্ন ঃ

চতুৰ্থ অধ্যায়— অসমৰ ভূগোল

2+3+5+4=14

2- Mark Questions

1. চমু উত্তৰ দিয়া ঃ

(a) অসমৰ আটাইতকৈ বেছি জনবসতি আৰু কম জনবসতি থকা জিলা দুখনৰ নাম লিখা।

(b) অসমত কেইপ্ৰকাৰৰ ধানৰ খেতি কৰা হয় আৰু কি কি?

(c) অসমৰ দুটা তৈলক্ষেত্ৰৰ নাম জিলা সহিতে লিখা।

(d) অসমত পোৱা দুবিধ খনিজ সম্পদৰ নাম লিখা

(e) ২০১১ চনৰ তথ্য মতে অসমত কেইখন প্ৰথম শ্ৰেণীৰ আৰু কেইখন দ্বিতীয় শ্ৰেণীৰ চহৰ আছে?

2. চমু উত্তৰ দিয়া— 3- Mark

(a) ২০১৪ চনৰ অসমৰ উদোগিক আৰু বিনিয়োগ নীতিৰ প্ৰধান লক্ষ্য তিনিটা লিখা।

(b) সম্পদ বুলিলে কি বুজায়? অসমৰ প্ৰধান প্ৰাকৃতিক সম্পদবোৰ কি কি?

(c) হস্তশিল্প উদ্যোগৰ অন্তৰ্গত থকা প্ৰধান উদ্যোগ সমূহ কি লিখা?

(d) অসমত কেই প্ৰকাৰৰ ৰেচন উৎপাদন কৰা হয় আৰু কি কি?

(e) অসমৰ সীমাত লাগি থকা তিনিখন ৰাজ্যৰ নাম লিখা।

3. সম্পূৰ্ণ পৃষ্ঠাত অসমৰ মানচিত্ৰ অংকণ কৰি তলত লিখা ঠাই সমূহ দেখুওৱা। 4 marks

(a) বাঁহ উদ্যোগ ....

(b) উদ্যোগিক বিকাশ কেন্দ্ৰ

3. দীৰ্ঘউত্তৰীয়া প্ৰশ্ন 5- Marks

(a) অসমৰ ঔদ্যোগিক বিকাশ এতিয়াও কিয় মন্থৰ হৈ আছে তাৰ কাৰণ সমূহ লিখা।

(b) অসমত জনসংখ্যা বৃদ্ধিৰ কাৰণবোৰ চমুকৈ আলোচনা কৰা।

(c) বাৰ্ষিক জনসংখ্যাই প্ৰাকৃতিক সম্পদৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলাইছে বুজাই লিখা।

(d) অসমৰ পৰ্যটন উদ্যোগৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাবোৰ কি কি উল্লেখ কৰা।

(e) অসমত মানৰ সম্পদ গঢ়িবলৈ কেনে পদক্ষেপ গ্ৰহণ কৰিব লাগে তোমাৰ মতামত দাঙি ধৰা।

Created by Universal Document Converter

সম্ভাব্য প্রশ্ন ঃ

ৰাজনীতি বিজ্ঞান (প্ৰথম অধ্যায়—ভাৰতীয় গণতন্ত্ৰ)

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) কোনখন ৰাষ্ট্ৰক যুক্তৰাষ্ট্ৰৰ গৃহভূমি বুলি কোৱা হয়—
(i) ভাৰত (ii) ইংলেণ্ড
(iii) আমেৰিকা (iv) চীন

(b) সংবিধান প্ৰস্তুত কৰিবৰ অৰ্থে ভাৰতবৰ্ষত এখন খচৰা কমিটি গঠন কৰা হৈছিল। সেই কমিটিত অসমৰ পৰা কোনে সদস্যপদ লাভ কৰিছিল?
(i) কে. এম মুন্সি (ii) মহম্মদ চৈয়দ চাদুল্লা
(iii) এন মাধৱ ৰাও (iv) ডি.পি খৈতান

(c) কেবিনেট মিছন ভাৰতলৈ আহিছিল—
(i) ১৯৪৬ চনত (ii) ১৯৩৫ চনত
(iii) ১৯৪৭ চনত (iv) ১৮৫৮ চনত

(d) ছাৰ কাৰিয়া আয়োগ গঠন কৰা হৈছিল-
(i) ১৯৮১ চনত (ii) ১৯৮২ চনত
(iii) ১৯৮৩ চনত (iv) ১৯৮৪ চনত

(e) ভাৰতীয় সংবিধানখন কাৰ্যকৰী কৰা হৈছিল?
(i) ১৯৪৯ চনত (ii) ১৯৪৭ চনত
(iii) ১৯৪৮ চনত (iv) ১৯৫০ চনত

(f) ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰৰ ধাৰণাটো তলৰ কোনখন দেশৰ সংবিধানৰ পৰা অনুকৰণ কৰা হৈছে—
(i) আমেৰিকা (ii) কানাডা
(iii) ইংলেণ্ড (iv) ফ্ৰান্স

(g) অৰ্ধযুক্তৰাষ্ট্ৰ বুলি কোন ৰাষ্ট্ৰক কোৱা হয়?
(i) ভাৰত (ii) কানাডা
(iii) আমেৰিকা যুক্তৰাষ্ট্ৰ (iv) ইংলেণ্ড

(h) উদ্দেশ্য সম্পৰ্কিত প্ৰস্তাৱ সংবিধান সভাই গ্ৰহণ কৰে—
(i) ২২ জানুৱাৰী, ১৯৪৭ (ii) ২২ জানুৱাৰী, ১৯৪৮
(iii) ২২ জানুৱাৰী, ১৯৪৯ (iv) ২২ জানুৱাৰী, ১৯৫০

(i) সংবিধান সভাৰ প্ৰথম বৈঠক হৈছিল—
(i) ১০ জানুৱাৰী, ১৯৪৫ (ii) ৯ জানুৱাৰী, ১৯৪৬
(iii) ১৯ জানুৱাৰী, ১৯৪৭ (iv) ৩০ জানুৱাৰী, ১৯৪৮

(j) দ্বৈত নাগৰিকত্ব থকা দেশখন হ'ল—
(i) ভাৰত (ii) কানাডা
(iii) আমেৰিকা যুক্তৰাষ্ট্ৰ (iv) ইংলেণ্ড

ভাৰতীয় গণতন্ত্ৰ 1+4=5

Understanding - 4 marks

1. সংসদীয় গণতন্ত্ৰ কাক বোলে? ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰৰ বিষয়ে এটি টোকা লিখা।
2. ভাৰতবৰ্ষৰ সংসদীয় পদ্ধতিৰ চৰকাৰৰ উল্লেখযোগ্য বৈশিষ্টসমূহৰ বিষয়ে আলোচনা কৰা।
3. ভাৰতত যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ বৈশিষ্টসমূহ প্ৰতিফলিত হৈছেনে? তোমাৰ যুক্তি দৰ্শাই লিখা।
4. ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তাৱনাত সংবিধানৰ আদৰ্শ কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা।
5. ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাত থকা গুৰুত্বপূৰ্ণ শব্দকেইটা আলোচনা কৰা।
6. নেহেৰুৰ উদ্দেশ্য সম্পৰ্কিত প্ৰস্তাৱ কেইটা আলোচনা কৰা।

আন্তৰ্জাতিক সংস্থা- ৰাষ্ট্ৰসংঘ আৰু অন্যান্য

SA - 2 marks

1. ৰাষ্ট্ৰসংঘৰ লগত জড়িত থকা দুটা এজেন্সিৰ(Agencies) নাম লিখা।
2. ৰাষ্ট্ৰসংঘৰ নীতি দুটা লিখা।
3. ভেটো কি?
4. ICC আৰু FIFA ৰ মুখ্য কাৰ্যালয় ক'ত আছে?
5. নিৰস্ত্ৰীকৰণৰ সম্পৰ্কত সম্পাদিত হোৱা দুখন চুক্তিৰ নাম লিখা।
6. ৰাষ্ট্ৰসংঘৰ কেতিয়া গঠন হয়, ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয় ক'ত?
7. বিশ্ব শান্তিৰ বাবে ৰাষ্ট্ৰসংঘই লোৱা দুটা পদক্ষেপ লিখা।
8. নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য ৰাষ্ট্ৰ কেইখনৰ নাম লিখা।
9. প্ৰতিৰোধমূলক কুটনীতি বুলিলে কি বুজা।

SA 3 marks

1. ৰাষ্ট্ৰসংঘৰ তিনিটা নীতি উল্লেখ কৰা।
2. ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানৰ কাৰ্যকাল কেইবছৰ? ৰাষ্ট্ৰসংঘৰ প্ৰথম আৰু বৰ্তমানৰ সচিব প্ৰধানগৰাকীৰ নাম লিখা।
3. অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ কাৰ্যসমূহ লিখা।

Created by Universal Document Converter

সম্ভাব্য প্ৰশ্ন ঃ

2+3=5

দ্বিতীয় খণ্ড ঃ অৰ্থনীতি বিজ্ঞান— প্ৰথম অধ্যায়- মুদ্ৰা আৰু বেংক ব্যৱস্থা

Application - 2 marks

1. কেন্দ্ৰীয় বেংক আৰু বাণিজ্যিক বেংকৰ মাজত দুটা পাৰ্থক্য লিখা।
2. বিহিত আৰু অবিহিত মুদ্ৰাৰ মাজত পাৰ্থক্য লিখা।
3. মূল্যৰ ভাণ্ডাৰ বুলিলে কি বুজা?
4. মুদ্ৰাৰ কোনটো বৈশিষ্ট্য সবাতোকৈ গুৰুত্বপূৰ্ণ আৰু কিয় লিখা।
5. বিশ্বৰ আটাইতকৈ পুৰণি কেন্দ্ৰীয় বেংক কোনটো আৰু কেতিয়া স্থাপন হৈছিল?
6. অনা বেংক আৰ্থিক প্ৰতিষ্ঠানসমূহ বেংকতকৈ কি অৰ্থত বেলেগ?
7. ভাৰতৰ প্ৰথম বেংকটোৰ নাম কি? ই কেতিয়া স্থাপিত হৈছিল?
8. মুদ্ৰাৰ দুটা ভূমিকা লিখা।
9. 'কেন্দ্ৰীয় বেংক হৈছে বেংকসমূহৰ বেংক' — বহলাই লিখা।

মুদ্ৰা আৰু বেংক ব্যৱস্থা

Knowledge - 3 marks

1. মুদ্ৰাই সম্পাদন কৰা তিনিটা কাৰ্য লিখা।
2. মুদ্ৰাৰ ক্ৰমবিকাশৰ পৰ্যায়সমূহ লিখা।
3. মুদ্ৰাৰ তিনিটা বৈশিষ্ট্য লিখা।
4. ভাৰতৰ বাণিজ্যিক বেংকসমূহ কিয় ৰাষ্ট্ৰীয়কৰণকৰা হয় তিনিটা কাৰণ লিখা।
5. ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংক (SIDBI) ৰ মুখ্য কাৰ্যাৱলী সমূহ লিখা।

অৰ্থনীতি বিজ্ঞান— দ্বিতীয় অধ্যায়- অৰ্থনৈতিক উন্নয়ন

Application - 2 marks

1. ভাৰতবৰ্ষৰ অৰ্থনৈতিক সংস্কাৰ কাৰ্যসূচীয়ে সৃষ্টি কৰা দুটা সমস্যা লিখা।
2. 'অৰ্থনৈতিক বিকাশ হ'লেই অৰ্থনৈতিক উন্নয়ন হৈছে বুলি ক'ব নোৱাৰি।'— কিয়?
3. মানৱ উন্নয়ন আৰু অৰ্থনৈতিক বিকাশৰ মাজত দুটা পাৰ্থক্য লিখা।
4. গণতান্ত্ৰিক পৰিকল্পনা বুলিলে কি বুজা?
5. গোলকীকৰণ বুলিলে কি বুজা?
6. মিশ্ৰিত আৰ্থিক ব্যৱস্থা বুলিলে কি বুজা?
7. মানৱ উন্নয়নৰ চাৰিটা স্তৰ কি কি?

অৰ্থনৈতিক উন্নয়ন

Understanding - 3 marks

1. ২০১০ চনৰ মানৱ উন্নয়ন প্ৰতিবেদনখনক সন্নিবিষ্ট কৰা মানৱ উন্নয়নৰ ধাৰণা তিনিটা কি কি লিখা।
2. ভাৰতত অৰ্থনৈতিক সংস্কাৰ প্ৰৱৰ্তনৰ মূল কাৰণ কেইটা উল্লেখ কৰা।
3. নীতি আয়োগ সম্পৰ্কে লিখা।
4. ভাৰতবৰ্ষত অৰ্থনৈতিক উদাৰীকৰণৰ মুখ্য লক্ষ্য কি কি?
5. সেউজ বিপ্লৱ ভাৰতবৰ্ষত সফল হ'ল বুলি ভাবা নেকি? তোমাৰ উত্তৰৰ সমৰ্থনত লিখা।
6. ভাৰতবৰ্ষৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ মূল লক্ষ্যবোৰ কি কি?
7. ভাৰতবৰ্ষই ১৯৯১-৯২ চনত কিয় অৰ্থনৈতিক সংস্কাৰ আঁচনি গ্ৰহণ কৰিছিল?
8. ভাৰতৰ অৰ্থনৈতিক সংস্কাৰৰ তিনিটা সুফল লিখা।
9. ভাৰতৰ অৰ্থনৈতিক সংস্কাৰ কাৰ্যসূচীৰ তিনিটা বৈশিষ্ট লিখা।
10. ভাৰতীয় অৰ্থনীতিৰ মূল লক্ষ্যসমূহ লিখা।

Created by Universal Document Converter

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰশ্নসমূহ (অধ্যায় অনুযায়ী) ২০১১ৰ পৰা ২০২০ লৈ

ইতিহাস

প্ৰথম অধ্যায়

বংগ বিভাজন (১৯০৫-১৯১১) আৰু স্বদেশী আন্দোলন

A অতি চমু প্ৰশ্নাৱলী ঃ

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) কাৰ কাৰ্যকালত 'বংগ বিভাজন আঁচনিখন' কাৰ্যকৰী কৰা হৈছিল—

(i) লৰ্ড কাৰ্জন
(ii) লৰ্ড উইলিয়াম বেন্টিংক
(iii)লৰ্ড ডেল হাউচী
(iv) লৰ্ড মাউন্টবেটেন [HSLC 14,17,

(b) ১৯০৬ চনত মুছলিম লীগ গঠনত সহায় কৰা ব্ৰিটিছ প্ৰশাসক জন কোন আছিল ?

(i) লৰ্ড কাৰ্জন
(ii) লৰ্ড মিন্টো
(iii) লৰ্ড ৰিপন
(iv) লৰ্ড কৰ্ণৱালিছ [HSLC 15,17

(c) ব্ৰিটিছ চৰকাৰে দিল্লীত দৰবাৰ পাতি বংগ ভংগ আঁচনি বাতিল কৰিছিল—

(i) ১৯০৫ চনৰ ২০ জুলাই তাৰিখে।
(ii) ১৯১১ চনৰ ২ ডিচেম্বৰ তাৰিখে।
(iii) ১৯০৮ চনৰ ১৩ ডিচেম্বৰ তাৰিখে।
(iv) ১৯০৬ চনৰ ১৫ আগষ্ট তাৰিখে [HSLC 16

1. 'বন্দে মাতৰম' গীতটো কোনে ৰচনা কৰিছিল ? [HSLC 11,14
2. 'লাল-বাল-পাল' কোন আছিল ? [HSLC 12
3. লৰ্ড মিন্টো কোন আছিল ? [HSLC 13

চমু প্ৰশ্নাৱলী মূল্যাংক—২

4. আগা খাঁৰ নেতৃত্বত মুছলমান সজাতি দলটোৰে ছিমলাত ব্ৰিটিছ ভাইচৰয়ৰ ওচৰত কি অনুৰোধ জনাইছিল।
[HSLC 14

5. বংগ ভংগ আন্দোলনৰ প্ৰাথমিক কাৰ্যসূচী কি আছিল ? [HSLC 16,17

মূল্যাংক—০৩

6. স্বদেশী আন্দোলন দমন কৰা উদ্দেশ্যে বৃটিছ চৰকাৰে কি কি আন্দোলন বিৰোধী কাৰ্যসূচী গ্ৰহণ কৰিছিল ?
[HSLC 17

7. বংগ বিভাজনে সৃষ্টি কৰা 'পূৰ্ববংগ আৰু অসম' নামৰ প্ৰদেশখনৰ সৈতে সংলগ্ন হোৱা বংগদেশৰ প্ৰধান তিনিটা ভৌগলিক

Created by Universal Document Converter

সংমণ্ডল উল্লেখ কৰা। [HSLC 17

8. স্বদেশী আন্দোলনৰ সময়ছোৱাত বংগদেশৰ জাতীয় শিল্পৰ বিকাশ কেনেদৰে হৈছিল চমুকৈ লিখা। [HSLC 18

9. স্বদেশী আন্দোলনতমহিলাৰ ভূমিকাৰ বিষয়ে চমুকৈ লিখা। [HSLC 18,20

10. লর্ড কার্জনে ঘোষণা কৰা বংগভংগৰ চাৰিদফীয়া আঁচনি খনৰ প্রথম দফাৰ আঁচনি সমূহ কি কি আছিল?

[HSLC 18

11. স্বদেশী আন্দোলন দুর্বল কৰাৰ বাবে বৃটিছ চৰকাৰে কি কি কর্মপন্থা লৈছিল? আন্দোলনৰ নেতাসকলৰ পৰা চৰকাৰে সঁহাৰি লাভ কৰিছিল নে? [HSLC 19

12. স্বদেশী আন্দোলনৰ প্রাৰম্ভিক কার্যসূচীবোৰ কি কি আছিল? প্রতিবিধ কার্যসূচী চমুকৈ উল্লেখ কৰা। [HSLC 19

13. স্বদেশী আন্দোলনৰ তিনিটা অৱদান আলোচনা কৰা। [HSLC 19

14. ভাৰতত স্বদেশী আন্দোলন কেতিয়া আৰম্ভ হৈছিল? স্বদেশী শিল্প উদ্যোগৰ বিকাশত ইয়াৰ অৰিহনা কি আছিল?

[HSLC 20

15. 'বংগ বিভাজন' কি আছিল? ইয়াৰ দুটা গুৰুত্বপূর্ণ ফলাফল উল্লেখ কৰা। [HSLC 20

ৰচনাধর্মী প্রশ্নাৱলী— মূল্যাংক—৪

16. ভাৰতবর্ষত স্বদেশী আন্দোলনৰ কালছোৱাত মুচলীম ৰাগৰ উত্থান সর্ম্পকে চমুকৈ লিখা। [HSLC 12

মূল্যাংক—৫

17. ব্রিটিছৰ শাসন কালত হোৱা বংগ বিভাজনৰ কাৰণ আৰু ইয়াৰ ফলাফল সমূহ চমুকৈ উল্লেখ কৰা। [HSLC 11

দ্বিতীয় অধ্যায়

মহাত্মা গান্ধী আৰু ভাৰতৰ স্বাধীনতা সংগ্রাম

A অতি চমু প্রশ্নাৱলী ঃ

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) আজাদ হিন্দ ফৌজৰ জন্ম হৈছিল [HSLC 13

(i) জার্মানীত (ii) ছিঙ্গাপুৰত

(iii) জাপানত (iv) ভাৰতবর্ষত

(b) আজাদ হিন্দ ফৌজৰ জন্মদাতা আছিল— [HSLC 12

(i) কেপ্তেইন সোহান সিং (ii) ৰামবিহাৰী বসু

(iii) সুভাষ চন্দ্র বসু (iv) প্রেম ছেহগাল

(c) কোনটো আন্দোলনৰ সময়ত গান্ধীজীয়ে 'কৰিম কিম্বা মৰিম' শ্লোগানটো দিছিল? [HSLC 18

(i) আইন অমান্য আন্দোলনত (ii) অসহযোগ আন্দোলনত

(iii) ভাৰত ত্যাগ আন্দোলনত (iv) খিলাফৎ আন্দোলনত

(d) চৌৰিচৰাৰ সংঘর্ষ কেতিয়া সংঘটিত হৈছিল? [HSLC 20

(i) ৫ ফেব্রুৱাৰী ১৯২২ (ii) ৩১ জানুৱাৰী ১৯০৩

(iii) ৮ আগষ্ট ১৯৪২ (iv) ৬ এপ্রিল ১৯১৯

Created by Universal Document Converter

2. 'গান্ধী-আৰউইন' চুক্তি কি আছিল? [HSLC 11,15

3. 'গান্ধী-আৰউইন' চুক্তিৰ মুখ্য উদ্দেশ্য কি আছিল? [HSLC 16

B. চমু প্ৰশ্নাৱলী- মূল্যাংক—2

4. ১৯৩১ চনত স্বাক্ষৰিত হোৱা গান্ধী-আৰউইন চুক্তিৰ যিকোনো দুটা চর্ত লিখা। [HSLC 15,18

5. কেতিয়া আৰু ভাৰতীয় জাতীয় কংগ্রেছৰ কোনখন অধিবেশনত ভাৰতীয় সকলৰ মূল দাবী হিচাপে পূর্ণ স্বৰাজৰ দাবী উত্থাপন কৰা হৈছিল? [HSLC 17

6. গান্ধীজীয়ে কেতিয়া সবৰমতী আশ্রমৰ পৰা সাগৰৰ পাৰৰ দাণ্ডিলৈ লোণ আইন ভংগ কৰিবলৈ যাত্রা কৰিছিল? সবৰমতী আশ্রম আৰু সাগৰৰ পাৰৰ দাণ্ডিৰ দূৰত্ব কিমান? [HSLC 19

7. 'গান্ধী-আৰউইন' চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল? এই চুক্তিৰ এটা পৰিণতি উল্লেখ কৰা। [HSLC 20

মূল্যাংক—4

8. 'সত্যাগ্রহ' বুলিলে কি বুজা? যি তিনিটা স্থানীয় বিবাদৰ ক্ষেত্রত গান্ধীজীয়ে সত্যাগ্রহক প্রথমতে প্রয়োগ কৰিছিল সেই তিনিটা বিষয়ে সংক্ষিপ্ত বিৱৰণ দিয়া। [HSLC 19

9. গান্ধীজীৰ ভাৰত ত্যাগ আন্দোলনৰ আৰঁত কি আছিল? তেখেতে এই আন্দোলন কেনেকৈ পৰিচালিত কৰিছিল? [HSLC 20

মূল্যাংক—5

11. ভাৰতবর্ষৰ স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীৰ ভূমিকা সম্পর্কে আলোচনা কৰা। [HSLC 13

12. কি ৰাজনৈতিক পৰিস্থিতিত 'গান্ধী আৰউইন' চুক্তি স্বাক্ষৰিত হৈছিল? চুক্তিৰ চর্তসমূহ আলোচনা কৰা। [HSLC 12,16

13. মহাত্মা গান্ধীৰ নেতৃত্বত পৰিচালিত অসহযোগ আন্দোলনৰ বিষয়ে আলোচনা কৰা আৰু এই আন্দোলন স্থগিতকৰণৰ কাৰণ উল্লেখ কৰা। [HSLC 17

14. আইন অমান্য আন্দোলন আৰম্ভ কৰাৰ প্রধান কাৰণ সমূহ কি আছিল? গান্ধীজীয়ে এই আন্দোলন কেনেদৰে আৰম্ভ কৰিছিল আলোচনা কৰা। [HSLC 18

15. কি পৰিস্থিতিত মহাত্মা গান্ধীয়ে অহিংসা আন্দোলন আৰম্ভ কৰিছিল? ইয়াৰ কার্যসূচী কি আছিল? গান্ধীজীয়ে এই আন্দোলন কিয় বন্ধ কৰিব লগা হৈছিল? [HSLC 18

16. স্বাধীনতা সংগ্রামৰ সময়ছোৱাত মহাত্মা গান্ধীৰ নেতৃত্বত পৰিচালিত অসহযোগ আন্দোলনৰ বিষয়ে এটি বর্ণনা দিয়া। [HSLC 11

17. ভাৰতৰ স্বাধীনতা সংগ্রামত আজাদ হিন্দ ফৌজৰ অৱদান আলোচনা কৰা। [HSLC 11

Created by Universal Document Converter

তৃতীয় অধ্যায়

অসমৰ ব্ৰিটিছ বিৰোধী জাগৰণ আৰু কৃষক বিদ্ৰোহ ঃ

A অতি চমু প্ৰশ্নাৱলী ঃ

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) মণিৰাম দেৱানৰ লগত আৰু কাক ফাঁচিকাঠত ওলমোৱা হৈছিল— [HSLC 18,20

(i) জিউৰাম দুলীয়া বৰুৱাক (ii) পিয়লি বৰুৱাক

(iii) গোমধৰ কোঁৱৰক (iv) দুতিৰাম বৰুৱাক

(b) তলৰ কোনটো চনত বৃটিছসকলে অসমত দাস প্ৰথাৰ বিলুপ্তি ঘটাইছিল— [HSLC 19

(i) ১৮৪৩ চনত (ii) ১৮৫৭ চনত

(iii) ১৮৬০ চনত (iv) ১৮৬৩ চনত

2. কোন চনত অসমত দাস প্ৰথা নিষিদ্ধ কৰা হৈছিল [HSLC 16

B. চমু প্ৰশ্নাৱলী- মূল্যাংক—2

3. বাহাদুৰ গাঁওবুঢ়া আৰু ফৰ্মূদ আলিক কোনে বৃটিছ বিৰোধী কাম-কাজৰ বাবে গ্ৰেপ্তাৰ কৰিছিল ? তেওঁলোক কোনখন জেইলৰ কাৰাবন্দী আছিল লিখা। [HSLC 15

মূল্যাংক—3

4. অসমত ফুলগুৰিৰ কৃষক বিদ্ৰোহ কেতিয়া হৈছিল ? এই বিদ্ৰোহৰ দুটা প্ৰধান কাৰণ উল্লেখ কৰা। [HSLC 11

5. অসমত ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ কিয় বিফল হৈছিল ? তিনিটা কাৰণ লিখা। [HSLC 16,14

6. ইতিহাসত ফুলগুৰি ধাৰাৰ গুৰুত্বৰ বিষয়ে এটি চমু টোকা লিখা। [HSLC, 17,19

7. ১৮৫৭ চনৰ বিদ্ৰোহত মণিৰাম দেৱানৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখা। [HSLC 18

8. ভাৰতৰ ১৮৫৭-৫৮ চনৰ বিদ্ৰোহৰ কাৰণ সমূহ আৰু অসমত ইয়াৰ প্ৰভাৰ সম্পৰ্কে চমুকৈ আলোচনা কৰা। [HSLC 19

9. অসমত ১৮৫৭ চনৰ বিদ্ৰোহৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা। [HSLC 19

10. ১৮৫৭ চনৰ বিদ্ৰোহৰ বাবে অসমত হোৱা প্ৰভাৱসমূহ উল্লেখ কৰা। [HSLC 20

মূল্যাংক—4

11. অসমত ১৮৫৭-৫৮ চনত কিয় বিদ্ৰোহ সংঘটিত হৈছিল ? [HSLC 17

12. অসমত ১৮৫৭-৫৮ চনৰ বিদ্ৰোহ ব্যৰ্থ হোৱাৰ কাৰণবোৰ আলোচনা কৰা। [HSLC 17

13. বৃটিছৰ শাসনকালত অসমত কৃষক আৰু কুটিৰ শিল্পৰ লগত জড়িত লোকসকলৰ দুৰৱস্থাৰ কাৰণ সমূহ লিখা। [HSLC 18

Created by Universal Document Converter

চতুর্থ অধ্যায়
ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসমত জাতীয় জাগৰণ ঃ

A অতি চমু প্রশ্নাৱলী ঃ

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) আছাম এছ'চিয়েছনৰ প্রথমখন অধিবেশন ১৯০৫ চনত ক'ত অনুষ্ঠিত হৈছিল ? [HSLC 18

(i) শিৱসাগৰত (ii) যোৰহাটত
(iii) ডিব্রুগড়ত (iv) গোলাঘাটত

(b) তলৰ কোনজন জোনাকীৰ প্রথম সম্পাদক আছিল ? [HSLC 19

(i) হেমচন্দ্র বৰুৱা (ii) হেমচন্দ্র গোস্বামী
(iii) লক্ষ্মীনাথ বেজবৰুৱা (iv) চন্দ্রকুমাৰ আগৰৱালা

(c) ১৯০৩ চনত কোনে আছাম এছ'চিয়েছন গঠন কৰিছিল ? [HSLC 20

(i) পদ্মনাথ গোঁহাই বৰুৱা (ii) হেমচন্দ্র গোস্বামী
(iii) নবীনচন্দ্র বৰদলৈ (iv) মানিক চন্দ্র বৰুৱা

2. গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ কোনটো সংগঠনে পোন প্রথমে দাবী উত্থাপন কৰিছিল ? [HSLC 11

চমু প্রশ্নাৱলী- মূল্যাংক — 2

3. স্বাধীনতা আন্দোলনৰ সময়ত অসমত গঠন হোৱা দুটা সামাজিক ৰাজনৈতিক সংগঠনৰ নাম উল্লেখ কৰা। [HSLC 13

4. অসম এছ'চিয়েছনৰ প্রথমখন অধিবেশনত নির্বাচিত হোৱা সভাপতি আৰু সাধাৰণ সম্পাদকৰ নাম লিখা। [HSLC 19

মূল্যাংক — 4

5. বৃটিছ শাসনাধীন অসমত আছাম এচ'ছিয়েছনৰ সমাজ সংস্কাৰৰ বাবে আগবঢ়োৱা অৱদান সম্পর্কে লিখা। [HSLC 18

মূল্যাংক — 5

6. অসমত ভাৰত ত্যাগ আন্দোলন কেনেদৰে সংঘটিত হৈছিল লিখা।
7. ব্রিটিছৰ শাসন কালত গঠিত আসাম এছ'ছিয়েচনৰ ক্রিয়াকলাপৰ বিষয়ে আলোচনা কৰা। [HSLC, 11
8. অসমত অসহযোগ আন্দোলন কেনেকৈ আৰম্ভ হৈছিল আলোচনা কৰা। [HSLC 12
9. মহাত্মা গান্ধীয়ে সূচনা কৰা আইন অমান্য আন্দোলনত অসমৰ মানুহে কেনেদৰে যোগদান কৰিছিল লিখা। [HSLC 12,16,17
10. ১৯৪২ ৰ 'ভাৰত ত্যাগ আন্দোলনত' অসমৰ মানুহে কেনেদৰে যোগদান কৰিছিল চমুকৈ আলোচনা কৰা। [HSLC 13
11. ভাৰত ত্যাগ আন্দোলনত অসমৰ মানুহৰ ভূমিকা সম্বন্ধে সংক্ষেপে আলোচনা কৰা। [HSLC 15,19
12. অসমত অসহযোগ আন্দোলনৰ কার্যসূচী কিদৰে ৰূপায়িত হৈছিল চমুকৈ লিখা। [HSLC 16
13. অসমত অসহযোগ আন্দোলনে কেনেদৰে প্রসাৰ লাভ কৰিছিল ? [HSLC. 20
14. স্বাধীনতা আন্দোলনৰ সময়ত অসমত কেনেকৈ অসমীয়া জাতীয়তাবাদী চেতনাৰ উত্থান হৈছিল ? [HSLC .20
15. ব্রিটিছৰ শাসনাধীন অসমত আসাম এচ'ছিয়েছনৰ সমাজ সংস্কাৰৰ বাবে আগবঢ়োৱা অৱদান সম্পর্কে লিখা। [HSLC 17

Created by Universal Document Converter

পঞ্চম অধ্যায়

ভাৰত আৰু উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক ঐহিত্য

A অতি চমু প্ৰশ্নাৱলী ঃ

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) 'নাম-ঘোষা' ৰ ৰচক আছিল— [HSLC 13

(i) মাধৱদেৱ (ii) দামোদৰ দেৱ

(iii) শংকৰদেৱ (iv) ভট্টদেৱ

(b) তলত দিয়া জনগোষ্ঠীৰ কোনটো বৌদ্ধ ধৰ্মালম্বী? [HSLC 20

(i) খাছী (ii) খাম্‌তি

(iii) আদি (iv) কাৰ্বি

2. বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যৰ জনপ্ৰিয় নামটো কি? [HSLC,14

3. আজন ফকীৰৰ প্ৰকৃত নাম কি আছিল? [HSLC,15

B. চমু প্ৰশ্নাৱলী ঃ মূল্যাংক- 2

1. ক্ষুদ্ৰাকাৰ চিত্ৰযুক্ত অসমৰ দুখন 'সাঁচিপতীয়া' পুথিৰ নাম লিখা। [HSLC 18

2. ৰাষ্ট্ৰসংঘৰ শিক্ষা বিজ্ঞান আৰু সাংস্কৃতিক সংস্থাৰ দ্বাৰা বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে তালিকাভুক্ত হোৱা ভাৰতৰ দুটা স্থাপত্যৰ নাম লিখা। [HSLC 18

3. ওজাপালিৰ দুটা ভাগৰ নাম লিখা আৰু উদাহৰণ দিয়া। [HSLC 19

4. দৰং জিলাৰ দুটা লোক-নৃত্য উল্লেখ কৰা। [HSLC 20

মূল্যাংক- 3

5. লোক সংস্কৃতি কি? অসমৰ লোক সংস্কৃতিৰ দুটা উদাহৰণ দিয়া। [HSLC 11

6. অসমীয়া সমাজলৈ বিহুৰ অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা। [HSLC 13

7. অসমৰ যিকোনো তিনিটা প্ৰধান জনজাতীয় বিহু উৎসৱক কি কি বোলে লিখা। [HSLC 15

8. আহোম সকলৰ দিনত অসমীয়া সাহিত্যৰ উনয়নৰ এটি খতিয়ান দিয়া। [HSLC 16

9. অসমৰ নৱ-বৈষ্ণৱ আন্দোলনৰ বিষয়ে লিখা। [HSLC 16

10. উত্তৰ পূৰ্বাঞ্চলৰ অন্য ৰাজ্যকেইখনৰ তুলনাত অসমৰ সাংস্কৃতিক বিবিধতা, সংমিশ্ৰণ আৰু বিবৰ্তন কিয় অধিকতৰ হৈছে? চমুটোকা লিখা। [HSLC 17

মূল্যাংক— 4

11. মধ্য যুগৰ অসমীয়া সাহিত্য সম্পৰ্কে এটি চমুটোকা লিখা। [HSLC 11

12. অসমৰ লোক সংস্কৃতিলৈ বিহুৰ অৱদান সম্পৰ্কে মতামত দিয়া। [HSLC 12

13. অসমৰ চিত্ৰকলাৰ ঐতিহ্যৰ বিষয়ে চমুকৈ লিখা। [HSLC 19

14. অসমত উদ্‌যাপন কৰা বিহু উৎসৱৰ বিষয়ে চমুকৈ লিখা। [HSLC 20

15. অসমত কিদৰে মুছলমান লোকসকলৰ বসবাসৰ সূচনা হৈছিল? [HSLC 14

Created by Universal Document Converter

ভূগোল

প্ৰথম অধ্যায়

অৰ্থনৈতিক ভূগোলঃ বিষয়বস্তু আৰু সম্পদ

A অতি চমু প্ৰশ্নাৱলী ঃ

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) তলৰ কোনটো অনৱীকৰণ যোগ্য সম্পদ? [HSLC14,17,19

(i) পানী (ii) সূৰ্যৰ ৰশ্মি

(iii) গছ-গছনি (iv) প্ৰাকৃতিক গেছ

(b) তলৰ কোনবিধ সম্পদ অনৱীকৰণ যোগ্য? [HSLC,16

(i) শস্য (ii) মানুহ

(iii) লো (iv) সূৰ্যৰ ৰশ্মি

(c) তলৰ সম্পদ সমূহৰ কোনবিধ সম্পদ অজীৱীয়? [HSLC,17

(i) বায়ু (ii) উদ্ভিদ

(iii) জন্তুবোৰ (iv) শস্য

(d) তলৰ কোনটো মানৱসৃষ্ট সম্পদ? [HSLC,18,20

(i) অৰণ্য (ii) নদ-নদী

(iii) জলসিঞ্চন নলা (iv) খনিজ তেল

2. প্ৰতিৰোধক সামগ্ৰী বা পৰিঘটনাৰ এটা উদাহৰণ দিয়া। [HSLC,11

3. এটা সামগ্ৰীৰ উদাহৰণ দিয়া, যিটো সম্পদ আৰু সম্পত্তি দুয়োটা। [HSLC,12

4. সম্পদ সংৰক্ষণৰ প্ৰয়োজনীয়তা কিয় আৱশ্যক হৈ পৰিছে। [HSLC,16

B. চমু প্ৰশ্নাৱলী ঃ মূল্যাংক- 2

5. সম্পদৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা। [HSLC 11

6. সম্পদ সংৰক্ষণ মানে কি? [HSLC 11

7. মানুহক কিয় মানৱ সম্পদ বোলা হয়? [HSLC. 12

8. নবীকৰণযোগ্য আৰু অনবীকৰণযোগ্য সম্পদৰ পাৰ্থক্য লিখা। [HSLC. 12,18

9. সম্পদ আৰু প্ৰাকৃতিক সামগ্ৰীৰ মাজত পাৰ্থক্য লিখা। [HSLC. 16

10. প্ৰাকৃতিক আৰু মানৱ সম্পদৰ উদাহৰণসহ সংজ্ঞা লিখা। [HSLC. 17

11. সম্পদ বুলিলে কি বুজা? ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহৰ যি কোনো এটা উল্লেখ কৰা। [HSLC. 18

12. সম্পদ আৰু বিজ্ঞান প্ৰযুক্তিৰ মাজত থকা সম্পৰ্ক চমুকৈ লিখা। [HSLC. 19

13. অৰ্থনৈতিক ভূগোলৰ সংজ্ঞা লিখা। ইয়াৰ বিষয়বস্তু কি? [HSLC. 20

14. জীৱীয় আৰু অজীৱীয় সম্পদৰ মাজৰ পাৰ্থক্য লিখা। [HSLC. 13

মূল্যাংকঃ 4

15. সম্পদ সংৰক্ষণৰ লগত জড়িত সংস্থা আৰু সেইবোৰৰ ভূমিকা চমুকৈ লিখা। [HSLC. 19

16. 'সম্পদ' বুলিলে কি বুজায়? উদাহৰণসহ ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰা। [HSLC. 20

17. সম্পদ সংৰক্ষণ কেনেদৰে সফল কৰি তুলিব পাৰি। [HSLC. 14

18. অৰ্থনৈতিক ভূগোল কাক বোলে? অৰ্থনৈতিক ভূগোলনৰ তিনিটা প্ৰধান শাখাৰ নাম লিখা। [HSLC. 17

Created by Universal Document Converter

দ্বিতীয় অধ্যায় ঃ

পৰিৱেশ আৰু পৰিবেশৰ সমস্যা —

A অতি চমু প্ৰশ্নাৱলী ঃ

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) গোলকীয় উষ্ণতা বৃদ্ধিত আটাইতকৈ বেছি অৱহণা যোগোৱা গেছটো হ'ল— [HSLC. 12

(i) মিথেন (ii) ক্লৰ'ফ্লুৰ'ৰ কাৰ্বন

(iii)নাইট্ৰাছ অক্সাইড (iv) কাৰ্বন ডাই অক্সাইড

(b) এছিড বৰষুণ সাধাৰণতে সৃষ্টি হয়— [HSLC. 12

(i) মেৰু অঞ্চলত (ii) অৰণ্য অঞ্চলত

(iii) ঔদ্যোগিক অঞ্চলত (iv) ঘাঁহনি অঞ্চলত

(c) সেউজগৃহ গেছবোৰৰ ভিতৰত তলৰ কোনবিধ গেছ গোলকীয় উত্তাপ বৃদ্ধিৰ বাবে দায়ী (i) অক্সিজেন (ii) কাৰ্বন ডাই অক্সাইড [HSLC. 19

(iii) নাইট্ৰ'জেন (iv) আৰ্গন

(d) বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ কিমান? [HSLC. 20

(i) 0.0035 % (ii) 0.035%

(iii) 0.35 % (iv) 3.35%

B চমু প্ৰশ্নাৱলী ঃ

মূল্যাংক -2

2. মৰুকৰণৰ প্ৰধান কাৰণসমূহ চমুকৈ লিখা। [HSLC 19

3. পানী প্ৰদূষণ কেনেকৈ হয়? [HSLC 20

মূল্যাংক -3

4. প্ৰদূষণ কি? বায়ু কেনেকৈ প্ৰদূষিত হয় লিখা। [HSLC 17

5. মৰুকৰণ কি? মৰুকৰণৰ দুটা কাৰণ লিখা। [HSLC 17

6. গোলকীয় উত্তাপ বৃদ্ধি কি? গোলকীয় উত্তাপ বৃদ্ধি কিদৰে ৰোধ কৰিব পাৰি লিখা। [HSLC 18

7. পৰিৱেশ পৰিবৰ্তনৰ তিনিটা প্ৰধান কাৰণ উল্লেখ কৰা। [HSLC 18

8. প্ৰদূষণ মানে কি বুজায়? মাটি কি দৰে প্ৰদূষিত হয়। [HSLC 19

9. গোলকীয় উত্তাপ বৃদ্ধিৰ তিনিটা ফলাফল লিখা। [HSLC 20

মূল্যাংক - 4

10. 'গোলকীয় উষ্ণায়ন' মানে কি? গোলকীয় উষ্ণায়ন ৰোধ কৰিবলৈ তিনিটা উপযোগী ব্যৱস্থাৰ পৰামৰ্শ দিয়া। [HSLC 13

11. পাৰিবেশিক সমস্যা কি? পাৰিবেশিক সমস্যাৰ ভৌগলিক ভাগবোৰ ব্যাখ্যা কৰা। [HSLC 17

12. পৃথিৱীৰ পৰিবেশৰ প্ৰধান মণ্ডল চাৰিটা ৰ মাজৰ সম্বন্ধৰ বিষয়ে চমুকৈ আলোচনা কৰা। [HSLC 18

Created by Universal Document Converter

তৃতীয় অধ্যায় ঃ

পৃথিৱীৰ ভূগোল —

A. অতি চমু প্ৰশ্নাৱলী ঃ

মূল্যাংক -2

1. পৃথিৱীৰ বৃহত্তম মহাসাগৰখন কি ? ই মহাসাগৰৰ মুঠ মাটি কালি উল্লেখ কৰা। [HSLC 17

মূল্যাংক -5

2. মহাদেশীয় বিস্থাপন বা সঞ্চাৰণৰ সূত্ৰটো চমুকৈ বৰ্ণনা কৰা। [HSLC 18
3. মহাসাগৰ সমূহৰ বিতৰণ আৰু বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা। [HSLC 20
4. পৃথিৱীৰ স্থালভাগৰ উপৰিভাগত থকা ভূ-অৱয়ব সমূহৰ বিষয়ে চমুকৈ লিখা। [HSLC 19

চতুৰ্থ অধ্যায় ঃ

অসমৰ ভূগোল—

A অতি চমু প্ৰশ্নাৱলী ঃ

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) ২০০১ চনৰ লোক পিয়ল অনুসৰি অসমৰ জনসংখ্যা [HSLC. 11

(i) 2.39 শতাংশ (ii) 2.79 শতাংশ
(iii) 2.59 শতাংশ (iv) 3.29 শতাংশ

(b) মাটিকালি হিচাবে অসমৰ সৰ্ববৃহৎ জিলাখন হ'ল — [HSLC. 12

(i) কোকৰাঝাৰ (ii) ডিমা হাছাও
(iii) কাৰ্বি আংলং (iv) কাছাৰ

(c) অসমৰ ডিমা হাছাও জিলাত থকা পৰ্বত পাহাৰ সমূহ— [HSLC. 19 (i) পাটকাই পৰ্বত শ্ৰেণীৰ অন্তৰ্গত

(ii) বৰাইল পৰ্বতশ্ৰেণীৰ অন্তৰ্গত
(iii) মেঘালয় পৰ্বত শ্ৰেণীৰ অন্তৰ্গত
(iv) লুছাই পৰ্বত শ্ৰেণীৰ অন্তৰ্গত

(d) বৰ্তমান অসমত কাজিৰঙাকে ধৰি মুঠ ৰাষ্ট্ৰীয় উদ্যানৰ সংখ্যা হ'ল— [HSLC. 18

(i) ১০ খন (ii) ৫ খন
(iii) ২০ খন (iv) ৬ খন

(e) অসমৰ কোনখন ৰাষ্ট্ৰীয় উদ্যানত বনৰীয়া ঘোৰা আৰু দেওহাঁহ দেখা যায়— [HSLC. 15 (i) নামেৰী ৰাষ্ট্ৰীয় উদ্যান

(ii) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান
(iii) মানাহ ৰাষ্ট্ৰীয় উদ্যান
(iv) ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান

Created by Universal Document Converter

2. ভূমিস্খলন মানে কি? [HSLC .11
3. বৰাক উপত্যকাত উৎপন্ন হোৱা এবিধ প্রধান নগদী শস্যৰ নাম লিখা। [HSLC .15
4. অসমত কিমানখন প্রশাসনিক জিলা আছে? [HSLC.14

মূল্যাংক -2/3

5. অসমৰ কৃষি সম্পর্কীয় তিনিটা প্রধান সমস্যা লিখা। [HSLC .12
6. খাৰুৱা তেল আৰু প্রাকৃতিক গেছৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা অসমৰ দুটা উদ্যোগৰ নাম লিখা। [HSLC .16
7. অসম চৰকাৰৰ ২০১৪ চনত ঘোষণা কৰা ঔদ্যোগিক আৰু বিনিয়োগ নীতিৰ প্রধান লক্ষ্যবোৰ কি কি? [HSLC. 19
8. অসমৰ জনসংখ্যা বৃদ্ধিৰ কাৰণবোৰ চমুকৈ বিশ্লেষণ কৰা। [HSLC. 19
9. অসমৰ চাৰিটা খনিজ সম্পদৰ নাম উল্লেখ কৰা। [HSLC .20
10. অসমৰ দুটা ভৈয়াম জনজাতি আৰু দুটা পার্বত্য জনজাতিৰ নাম লিখা। [HSLC. 20
11. অসমত অর্থনৈতিক উন্নয়নৰ তিনিটা সমস্যা লিখা। [HSLC. 20
12. অসমৰ জনসংখ্যা বিতৰণৰ ওপৰত এটি টোকা লিখা। [HSLC. 20

মূল্যাংক -4

13. অসমৰ পাহাৰীয়া অঞ্চলৰ কৃষিকার্য সম্পর্কে চমুকৈ আলোচনা কৰা। [HSLC .11
14. অসমৰ বানপানী সমস্যা কেনেকৈ সমাধা কৰিব পাৰি চমুকৈ আলোচনা কৰা। [HSLC .11
15. অসমৰ পর্যটন উদ্যোগৰ সম্ভাৱনা সমূহৰ বিষয়ে চমুটোকা লিখা। [HSLC .12
16. অসমৰ প্রধান খনিজ সম্পদবোৰৰ নাম লিখা। অসমৰ তৈল ক্ষেত্রবোৰৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা। [HSLC .17
17. অসমৰ ঔদ্যোগিক বিকাশ এতিয়াও কিয় মন্থৰ হৈ আছে তাৰ চাৰিটা কাৰণ লিখা। [HSLC .18
18. অসমৰ পর্যটন উদ্যোগৰ যিকোনো চাৰিটা সমস্যা উল্লেখ কৰা। [HSLC .18

মূল্যাংক -5

19. অসমৰ খনিজ সম্পদভিত্তিক শিল্প উদ্যোগৰ এটি খতিয়ান দাঙি ধৰা। [HSLC .11
20. অসমৰ অর্থনীতিত কৃষিৰ অৱদান সম্পর্কে আলোচনা কৰা। [HSLC .13
21. অসমৰ পাহাৰীয়া কৃষিকার্য সম্পর্কে আলোচনা কৰা। [HSLC .16
22. অসমৰ পর্যটন উদ্যোগৰ সম্ভাৱনা সমূহৰ বিষয়ে চমুকৈ লিখা। [HSLC .16
23. অসমৰ প্রধান কৃষিভিত্তিক উদ্যোগ সমূহ কি কি? অসমৰ চাহ উদ্যোগৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা। [HSLC .17
24. অসমৰ ঔদ্যোগীকৰণৰ সমস্যাসমূহ আলোচনা কৰা। [HSLC .17
25. অসমলৈ প্রাচীন কালৰে পৰা বর্তমান সময়লৈকে হোৱা জনপ্রব্রজনৰ সোঁতবোৰ একাদিক্রমে উল্লেখ কৰা। [HSLC .18
26. অসমৰ জনসংখ্যা বিতৰণৰ তাৰতম্যৰ কাৰণবোৰ উপযুক্ত উদাহৰণসহ চমুকৈ আলোচনা কৰা। [HSLC .18

Created by Universal Document Converter

27. অসমৰ চাহ উদ্যোগৰ বিষয়ে চমুকৈ লিখা। [HSLC .18
28. অসমৰ প্ৰাকৃতিক সম্পদৰ অৰক্ষয়ৰ কাৰণবোৰ বৰ্ণনা কৰা। [HSLC .19
29. অসমৰ কৃষিভিত্তিক উদ্যোগ সমূহৰ চমু বৰ্ণনা দিয়া। [HSLC .19,20
30. অসমৰ অৰ্থনীতিত কৃষিৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা। [HSLC .20

ৰাজনীতি বিজ্ঞান

প্ৰথম অধ্যায় ঃ

ভাৰতীয় গণতন্ত্ৰ

A চমু প্ৰশ্নাৱলী ঃ

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) ভাৰতৰ সংবিধান সভাৰ প্ৰথমখন বৈঠকত কোনে সভাপতিত্ব কৰিছিল? [HSLC. 18

(i) ড° বি.আৰ আম্বেদকাৰ (ii) এন.গোপালস্বামী
(iii) ড° সচ্চিদানন্দ সিন্হা (iv) চৈয়দ মহম্মদ চাদুল্লাই

(b) তলৰ কোনজন ব্যক্তি ভাৰতৰ সংবিধান খচৰা কমিটিৰ সদস্য নাছিল? [HSLC. 19

(i) এন গোপালস্বামী আয়েংগাৰ (ii) কে. এম মুন্সি
(iii) জৱাহৰলাল নেহৰু (iv) ডি.পি.খৈতান

(c) ভাৰতীয় সংবিধানৰ ১৯৭৬ চনত হোৱা ৪২ নং সংশোধনী আইনৰ জৰিয়তে কোনটো শব্দ প্ৰস্তাৱনাত সংযোজন কৰা হৈছিল? [HSLC.20

(i) সাৰ্বভৌম (ii) গণতান্ত্ৰিক
(iii) গণৰাজ্য (iv) সমাজবাদী

মূল্যাংক -3/4

2. কোন চনৰ কোন তাৰিখে ভাৰতবৰ্ষৰ সৰ্ব্বোচ আইন অৰ্থাৎ ভাৰতীয় সংবিধানখন গৃহিত হৈছিল। [HSLC .17
3. ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ বৈশিষ্ট্য সমূহ আলোচনা কৰা [HSLC .18
4. সংসদীয় গণতন্ত্ৰ কি? ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্ৰ আৰু ইংলেণ্ডৰ সংসদীয় গণতন্ত্ৰৰ মাজত থকা মূল পাৰ্থক্য কেইটা লিখা। [HSLC .19
5. আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে ভাৰতবৰ্ষ এখন যুক্তৰাষ্ট্ৰ নে? ব্যাখ্যা কৰা। [HSLC .20
6. ভাৰতবৰ্ষক কিয় সাৰ্বভৌম, সমাজবাদী ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য বোলা হয়? [HSLC .20

Created by Universal Document Converter

দ্বিতীয় অধ্যায় ঃ

আন্তর্জাতিক সংস্থা ঃ ৰাষ্ট্রসংঘ আৰু অন্যান্য

A চমু প্রশ্নাৱলী ঃ

1. শুদ্ধ উত্তৰটো বাছি উলিওৱাঃ

(a) নিৰাপত্তা পৰিষদ হ'ল— [HSLC. 11

(i) আন্তর্জাতিক মুদ্রা নিধিৰএটা গুৰুত্বপূর্ণ অংগ।
(ii) ৰাষ্ট্রসংঘৰ এটা গুৰুত্বপূর্ণ অংগ।
(iii) বিশ্ব বাণিজ্য সংস্থাৰ এটা গুৰুত্বপূর্ণ অংগ।
(iv) আন্তর্জাতিক ন্যায়লয়ৰ এটা গুৰুত্বপূর্ণ অংগ।

(b) আন্তর্জাতিক ন্যায়লয়ৰ ন্যায়ধীশৰ সংখ্যা হ'ল— [HSLC.16,17

(i) ৯ জন (ii) ১১ জন
(iii) ১৫ জন (iv) ৫ জন

(c) কোনটো দিন বিশ্ব মানৰ অধিকাৰ দিৱস হিচাপে পালন কৰা হয়? [HSLC.14

(i) ২৪ অক্টোবৰ (ii) ২৭ ছেপ্তেম্বৰ
(iii) ৫ জুন (iv) ১০ ডিচেম্বৰ

2. আর্ন্তজাতিক ন্যায়লয়ৰ মূখ্য কার্য কি? [HSLC .12

মূল্যাংক -3/4

3. ৰাষ্ট্রসংঘ কিমান চনত স্থাপন হৈছিল? ইয়াৰ মূল লক্ষ্য কি আছিল? [HSLC .20

4. ৰাষ্ট্রসংঘৰ মুখ্যসচিবক কেনেদৰে নিযুক্তি দিয়া হয়? ৰাষ্ট্রসংঘৰ প্রথম মুখ্যসচিবক কোন আছিল? [HSLC .18

5. নিম্নলিখিত আর্ন্তৰাষ্ট্রীয় সংগঠনৰ মুখ্য কার্যালয়ৰ নাম লিখা। [HSLC.18

(i) দক্ষিণ এছীয় আঞ্চলিক সহযোগীতা সংস্থা
(ii) আর্ন্তৰাষ্ট্রীয় ক্রিকেট পৰিষদ।

মূল্যাংক -3

6. ৰাষ্ট্রসংঘৰ মুখ্য ছয়টা অংগ কি কি? [HSLC .11

7. ৰাষ্ট্রসংঘৰ নিৰাপত্তা পৰিষদৰ এটা সংক্ষিপ্ত বিৱৰণ লিখা। [HSLC .19

প্রথম অধ্যায় ঃ

মুদ্রা আৰু বেংক ব্যৱস্থা

A. চমু প্রশ্নাৱলী ঃ

1. পণ্য বিনিময় প্রথা কি? [HSLC. 12

2. 1770 চনত ভাৰতত কোনটো বেংক স্থাপিত হৈছিল? [HSLC. 17

3. বিশ্বৰ সবাটোকৈ পুৰণি বেংকটোৰ নাম কি? [HSLC. 18

4. ভাৰতবর্ষৰ কেন্দ্রীয় বেংকটোৰ নাম কি? [HSLC. 15

Created by Universal Document Converter

মূল্যাংক -2

5. আঞ্চলিক গ্রাম্য বেংকৰ দুটা মূল কার্য লিখা। [HSLC .17
6. মুদ্রাৰ দুটা দোষ লিখা। [HSLC .15
7. বিনিময় প্রথাৰ দুটা অসুবিধা লিখা। [HSLC .17
8. মুদ্রাৰ লগত সংযোজিত হৈ থকা দুটা অসুবিধা লিখা। [HSLC .18
9. চেক এক মুদ্রা হয়নে? যুক্তি দিয়া? [HSLC .20
10. দুটা গ্রাম্য বেংকৰ নাম লিখা। [HSLC .15
11. কৃষি আৰু গ্রাম্য উন্নয়নৰ ৰাষ্ট্রীয় বেংকে (নাবার্ড) সম্পাদন কৰা দুটা মূল কার্য লিখা। [HSLC .18

মূল্যাংক -3

12. পণ্য বিনিময় প্রথা কি? পণ্য বিনিময় প্রথাৰ দুটা অসুবিধা লিখা। [HSLC .16
13. বাণিজ্যিক বেংক কি? ভাৰতবর্ষৰ দুটা প্রধান বাণিজ্যিক বেংকৰ নাম লিখা। [HSLC .13
14. ভাৰতীয় ৰিজার্ভ বেংকৰ প্রধান কার্যসমূহ আলোচনা কৰা। [HSLC .19
15. নাবার্ড কি? ইয়াৰ প্রধান কার্যবোৰ কি কি? [HSLC .20
16. IDBI কি? ই কেতিয়া স্থাপিত হৈছিল? ইয়াৰ দুটা মুখ্য কার্য উল্লেখ কৰা। [HSLC .20

দ্বিতীয় অধ্যায় ঃ

অর্থনৈতিক উন্নয়ন

মূল্যাংক— 2

1. অর্থনৈতিক বিকাশ আৰু অর্থনৈতিক উন্নয়নৰ মাজৰ দুটা পার্থক্য লিখা। [HSLC. 17,19
2. নীতি আয়োগ কেতিয়া গঠন হৈছিল? নীতি আয়োগৰ অধ্যক্ষ কোন? [HSLC. 17
3. নীতি আয়োগৰ সদস্য সকল কোন কোন হয়? [HSLC. 18
4. অর্থনৈতিক পৰিকল্পনা কি? ভাৰতবর্ষৰ প্রথম পঞ্চম বার্ষিক পৰিকল্পনাৰ সময়ছোৱা উল্লেখ কৰা। [HSLC. 18
5. মানৰ উন্নয়নৰ ওপৰত এটি টোকা লিখা। [HSLC. 19

মূল্যাংক— 3

6. ভাৰতবর্ষৰ পৰিকল্পনাৰ প্রথমছোৱা (আৰম্ভণীৰ পৰা ১৯৯০-৯১ পর্যন্ত) আৰু দ্বিতীয় ছোৱা (১৯৯১-৯২) ৰ মাজৰ মূল পার্থক্য ব্যাখ্যা কৰা। [HSLC. 17,19
7. ভাৰতবর্ষৰ অর্থনৈতিক ক্ষেত্রত উদাৰীকৰণ, ব্যক্তিগত কৰণ আৰু গোলকীকৰণে কেনেধৰণে প্রভাৰ পেলাইছে সংক্ষেপে লিখা। [HSLC. 17,19
8. মানৰ উন্নয়নৰ তিনিটা সূচক সর্ম্পকে সংক্ষেপে লিখা। [HSLC. 18
9. নীতি আয়োগ কি? ই কেতিয়াগঠিত হৈছিল? ইয়াৰ অধ্যক্ষ কোন? [HSLC. 20

Created by Universal Document Converter

Model Question Paper
Social Science

Full Marks: 90 **Pass Marks: 27**

Time: 3 Hours

The figures in the margin indicate full marks for the question.

Section—A (ক- শাখা)

1. 1× 8=8

(a) মহাত্মা গান্ধীয়ে সত্যাগ্রহৰ কৌশল পোন প্রথমে প্রয়োগ কৰিছিল—

(i) ভাৰততে (ii) দক্ষিণ আফ্রিকাত

(iii) জাপানত (v) আমেৰিকাত

(b) ব্রিটিছে টিকট কৰ প্রৱর্তন কৰিছিল?

(i) ১৮৪৮ চনত (ii) ১৮৭৮ চনত

(iii) ১৮৫৮ চনত (iv) ১৮৬৭ চনত

(c) অসমীয়া ভাষা উন্নতি সাধিনী স ভা গঠন হৈছিল

(i) ১৮৮৮ চনত (ii) ১৮৮২ চনত

(iii) ১৮৮৫ চনত (iv) ১৯৮৮ চনত

(d) 'হস্তীবিদ্যার্ণৱ গ্রন্থৰ ৰচিয়তা কোন?

(i) শংকৰদেৱ (ii) মাধৱদেৱ

(iii) সুকুমাৰ বৰকাইথ (iv) লক্ষ্মীনাথ বেজবৰুৱা

(e) IUCN সংস্থাটো কোন আন্তঃৰাষ্ট্রীয় সংস্থাৰ অন্তর্গত?

(i) UNESCO (ii) UNDP

(iii) WWF (iv) UNEP

(f) তলৰ কোনবিধ গেছৰ বৃদ্ধিয়ে এছিড বৰষুণৰ সৃষ্টি কৰে

(i) ছালফাৰ -ডাই -অক্সাইড আৰু নাইট্র'জেন ডাই -অক্সাইড (ii) অক্সিজেন

(iii) আর্গন (v) কার্বন-ডাই-অক্সাইড

(g) কোনখন মহাসাগৰৰ আকৃতি ইংৰাজী 'S' আখৰটোৰ দৰে?

(i) প্রশান্ত মহাসাগৰ (ii) আটলান্টিক মহাসাগৰ

(iii) উত্তৰ মহাসাগৰ (iv) দক্ষিণ মহাসাগৰ

(h) কোনখন ৰাষ্ট্রক যুক্তৰাষ্ট্রৰ গৃহভূমি বুলি কোৱা হয়?

(i) ভাৰত (ii) ইংলেণ্ডৰ

(iii) আমেৰিকা (iv) চীন

Section—B

Part-1 (প্রথম খণ্ড)

2. কেতিয়া আৰু কোনখন ভাৰতীয় জাতীয় কংগ্রেছৰ অধিবেশনত ভাৰতীয় সকলৰ মুল দাবী হিচাপে 'পূর্ণ স্বৰাজ" দাবী উত্থাপন কৰা হৈছিল? 2

3. জোনাকী যুগৰ ত্রিমূর্তি বুলি কাক কাক কোৱা হয়? 2

4. ক্ষুদ্রাকাৰ চিত্রযুক্ত অসমৰ সাঁচিপতীয়া পুথিৰ নাম লিখা। 2

Created by Universal Document Converter

5. স্বদেশী আন্দোলন দমন কৰাৰ উদ্দেশ্য ব্রিটিছ চৰকাৰে কি কি আন্দোলন বিৰোধী কার্যসূচী গ্রহণ কৰিছিল।

অথবা

স্বদেশী আন্দোলনৰ প্রাৰম্ভিক কার্যসূচীবোৰ কি কি আছিল? প্রতিবিধ কার্যসূচী চমুকৈ উল্লেখ কৰা। 3

6. স্বদেশী আন্দোলনৰ তিনিটা অৱদান লিখা।

অথবা

বিটিছৰ বংগ বিভাজনৰ তিনিটা অন্তর্নিহিত উদ্দেশ্য কি আছিল লিখা। 3

7. ইতিহাসৰ ফুলগুৰি ধাৰাৰ ওপৰত এটি চমু টোকা লিখা। 3

8. ১৮৫৭ চনৰ বিদ্রোহত মণিৰাম দেৱানৰ ভূমিকা সম্পর্কে চমুকৈ লিখা।

অথবা

অসমত ১৮৫৭-৫৮ চনৰ বিদ্রোহ সংঘটিত হোৱাৰ কাৰণসমূহ বিশ্লেষণ কৰা। 3

9. কি পৰিস্থিতিত মহাত্মা গান্ধীয়ে অহিংসা আন্দোলন আৰম্ভ কৰিছিল? ইয়াৰ কার্যসূচী কি আছিল? গান্ধীজীয়ে এই আন্দোলন কিয় বন্ধ কৰিবলগীয়া হৈছিল?

অথবা

আইন অমান্য আন্দোলন আৰম্ভ কৰাৰ প্রধান কাৰণ সমূহ কি আছিল? গান্ধীজীয়ে এই আন্দোলন কেনেদৰে আৰম্ভ কৰিছিল আলোচনা কৰা।

10. অসমৰ ধর্মীয় বিবিধতা আৰু সংহতিৰ বিষয়ে লিখা। 4

11. আছাম এছ'চিয়েচনৰ ব্রিটিছ শাসনাধীন অসমত সমাজ সংস্কাৰৰ বাবে আগবঢ়োৱা অৱদান সম্পর্কে লিখা।

অথবা

ভাৰত ত্যাগ আন্দোলনত অসমৰ মানহৰ ভূমিকা সম্বন্ধে চমুকৈ আলোচনা কৰা। 5

Part-2 (দ্বিতীয় খণ্ড)

12. নৱীকৰণযোগ্য আৰু অনৱীকৰণযোগ্য সম্পদ কাক বোলে উদাহৰণ সহ লিখা।2

13. মাটি কি দৰে প্রদুষিত হয় লিখা। 2

14. পৃথিৱীৰ বৃহত্তম আৰু ক্ষুদ্রতম মহাসাগৰ দুখনৰ নাম লিখা। 2

15. অসমৰ দুখন তৈলক্ষেত্রৰ নাম লিখা

অথবা

অসম চৰকাৰৰ ২০১৪ চনত ঘোষণা কৰা উদ্যোগিক আৰু বিনিয়োগ নীতিৰ দুটা প্রধান লক্ষ্য লিখা। 2

16. পৰিবেশ পৰিৱর্তনৰ তিনিটা প্রধান কাৰণ লিখা।

অথবা

মৰুকৰণৰ প্রধান কাৰণসমূহ চমুকৈ লিখা। 3

17. অসমৰ জনসংখ্যা বৃদ্ধিৰ কাৰণবোৰ চমুকৈ বিশ্লেষণ কৰা। 3

18. সম্পদ সংৰক্ষণ বুলিলে কি বুজা? সম্পদ সংৰক্ষণৰ প্রয়োজনীয়তা আলোচনা কৰা।

1+3=4

19. অসমৰ এখন নক্সা মানচিত্র আঁকা আৰু তাত তলত দিয়াসমূহৰ যি কোনো দুটা নামসহ বহুওৱা

2+2=4

(a) ডিব্রু চৈখোৱা ৰাষ্ট্রীয় উদ্যান।

(b) এটা সংহত আন্তঃগাঁঠনি উন্নয়ন কেন্দ্র।

(c) মাজুলী।

অথবা

(কেৱল অন্ধ পৰিক্ষার্থীৰ বাবে)

অসমৰ প্রধান কৃষিভিত্তিক উদ্যোগ সমূহ কি কি? অসমৰ চাহ উদ্যোগৰ বিষয়ে চমুকৈ লিখা।

20. মহাদেশীয় বিস্থাপন বা সঞ্চাৰণ সূত্রটো চমুকৈ লিখা।

অথবা

মহাসাগৰৰ তলিভাগৰ ভূ-অৱয়ব সম্পর্কে আলোচনা কৰা। 5

21. অসমৰ পাহাৰীয়া অঞ্চলৰ কৃষিকার্য সম্পর্কে চমুকৈ আলোচনা কৰা

অথবা

Created by Universal Document Converter

অসমৰ উদ্যোগিক বিকাশ এতিয়াও কিয় মন্থৰ হৈ আছে কাৰণ দৰ্শোৱা। 5

Part-III (তৃতীয় খণ্ড)

22. ৰাষ্ট্রসংঘৰ নিৰসত্রীকৰণ সম্পৰ্কত সম্পাদিত হোৱা দুখন চুক্তিৰ নাম লিখা। 2

23. অনা বেংক আৰ্থিক প্রতিষ্ঠানসমূহ বেংকতকৈ কি অৰ্থত বেলেগ? 2

24. অৰ্থনৈতিক উন্নয়ন আৰু অৰ্থনৈতিক বিকাশৰ দুটা পাৰ্থক্য লিখা। 2

25. ৰাষ্ট্রসংঘৰ তিনিটা নীতি উল্লেখ কৰা। 3

26. মুদ্রাই সম্পাদন কৰা তিনিটা কাৰ্য লিখা।

অথবা

কেন্দ্রীয় বেংকংৰ তিনিটা প্রধান কাৰ্য আলোচনা কৰা। 3

27. ভাৰতত অৰ্থনৈতিক সংস্কাৰ প্রৱৰ্তনৰ মূল কাৰণকেইটা উল্লেখ কৰা। 3

28. ভাৰতবৰ্ষৰ সংবিধানৰ প্রস্তাৱনাত সংবিধানৰ আদৰ্শ কেনেদৰে প্রকাশ পাইছে আলোচনা কৰা।

অথবা

সংসদীয় গণতন্ত্র কি? ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্র আৰু ইংলেণ্ডৰ সংসদীয় গণতন্ত্রৰ মাজত থকা মূল পাৰ্থক্য কেইটা লিখা।

4

.....

Created by Universal Document Converter

২০২১ চনত অৱতীর্ণ হ'বলগীয়া
সমূহ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষার্থীলৈ
শুভেচ্ছাৰে.....

গোলাঘাট জিলা মাধ্যমিক অতিৰিক্ত (ঠিকাভিত্তিক)
শিক্ষক সন্থা

Created by Universal Document Converter